रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 4 ] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [ VOL : 5
নং ৪ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬ (২০০৭ ৰ ৬)

১০ জানুৱাৰী, ২০০৭ তাৰিখে যথাবিদ্যমান

# বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬

## (২০০৭ৰ ৬)

### ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | পৃষ্ঠা |
| --- | --- |
| ১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ | ১ |
| ২। পৰিভাষা | ১ |
| ৩। সংবিদাকাৰী পক্ষ এটা শিশু হোৱাৰ বিকল্পত বাল্য বিবাহ নিৰৰ্থক হ'ব | ২ |
| ৪। বাল্য বিবাহলৈ সংবিদা কৰা নাৰী পক্ষলৈ ভৰণ-পোষণ আৰু বাসস্থানৰ বাবে উপৰন্ধ | ২ |
| ৫। বাল্য বিবাহৰ শিশুসকলৰ অভিৰক্ষা আৰু ভৰণ-পোষণ | ২ |
| ৬। বাল্য বিবাহৰ ফলত জন্ম হোৱা শিশুসকলৰ বৈধতা | ৩ |
| ৭। ধাৰা ৪ বা ৫ৰ অধীনত জাৰী কৰা আবেদনসমূহ পৰিৱৰ্ত্তন কৰিবলৈ জিলা ন্যায়ালয়ৰ ক্ষমতা | ৩ |
| ৮। ন্যায়ালয়, য'লৈ আবেদন কৰা হ'ব | ৩ |
| ৯। এটা শিশুক বিবাহ কৰোৱা প্ৰাপ্তবয়স্ক পুৰুষৰ বাবে দণ্ড | ৩ |
| ১০। এখন বাল্য বিবাহ অনুষ্ঠিত কৰাৰ বাবে দণ্ড | ৩ |
| ১১। বাল্য বিবাহৰ অনুষ্ঠিতকৰণৰ বৃদ্ধি কৰা বা অনুমতি দিয়াৰ বাবে দণ্ড | ৩ |
| ১২। কেতবোৰ পৰিস্থিতিত এটা নাবালক শিশুৰ বিবাহ অবৈধ হব | ৪ |
| ১৩। বাল্য বিবাহ নিবাৰণ নিষেধাজ্ঞা জাৰী কৰিবলৈ ন্যায়ালয়ৰ ক্ষমতা | ৪ |
| ১৪। নিষেধাজ্ঞা আদেশৰ উলংঘনত বাল্য বিবাহ অবৈধ হ'ব | ৫ |
| ১৫। অপৰাধসমূহ সংজ্ঞেয় আৰু অজামিনযোগ্য হব | ৫ |
| ১৬। বাল্য বিবাহ নিবাৰণ পদাধিকাৰী | ৫ |
| ১৭। বাল্য বিবাহ নিবাৰণ পদাধিকাৰী লোকসেৱক হব | ৬ |
| ১৮। সদ্ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ ৰক্ষণ | ৬ |
| ১৯। ৰাজ্য চৰকাৰৰ নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা | ৬ |
| ২০। ১৯৫৫ৰ অধিনিয়ম নং ২৫ৰ সংশোধন | ৬ |
| ২১। নিৰসন আৰু ব্যাবৃত্তি | ৬ |

# বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬

(২০০৭ৰ ৬)

[১০ জানুৱাৰী, ২০০৭]

বাল্য বিবাহ অনুষ্ঠিতকৰণৰ নিবাৰণৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তালৈ আনুষংগিক হোৱা বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম ।

**ইয়াক ভাৰত গণৰাজ্যৰ সপ্তপঞ্চাশৎ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক :—**

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ । ১। (১) এই অধিনিয়মখন, বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬ বুলি অভিহিত হ'ব।

(২) ই, জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰতলৈ বিস্তৃত হ'ব, আৰু ই ভাৰতৰ বাহিৰত বা প্ৰান্তত থকা ভাৰতৰ সকলো নাগৰিকলৈও প্ৰযোজ্য হ'ব :

পৰন্তু এই অধিনিয়মত থকা কোনো কথাই, পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰৰ ৰেননকেন্টসকললৈ প্ৰযোজ্য নহ'ব।

(৩) ই এনে তাৰিখৰ পৰা বলবৎ হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে, আৰু বিভিন্ন ৰাজ্যৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশক কোনো ৰাজ্যৰ সম্পৰ্কত, সেই ৰাজ্যত সেই উপবন্ধৰ বলবৎকৰণত এটা প্ৰসঙ্গ নিৰ্দ্দেশ বুলি অৰ্থ কৰা হ'ব ।

পৰিভাষা। ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,—

(ক) ''শিশু'' মানে এজন ব্যক্তি, যদি এজন পুৰুষ হয়, যিজনে, একৈশ বছৰ বয়স সম্পূৰ্ণ কৰা নাই আৰু যদি এগৰাকী নাৰী হয় যিয়ে, ওঠৰ বছৰ বয়স সম্পূৰ্ণ কৰা নাই ;

(খ) ''বাল্য বিবাহ'' মানে এনে বিবাহ য'লৈ সংবিদা কৰা পক্ষসমূহৰ যিকোনো এটা পক্ষ শিশু হয় ;

(গ) এখন বিবাহৰ সম্পৰ্কত ''সংবিদাকাৰী পক্ষ'' মানে পক্ষসমূহৰ যিকোনো এটাই, যাৰ বিবাহ, তাৰ দ্বাৰা অনুষ্ঠিত কৰে বা প্ৰায় কৰো কৰো হয় ;

(ঘ) ''বাল্য বিবাহ নিবাৰণ পদাধিকাৰীয়ে'' ধাৰা ১৬ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত বাল্যবিবাহ নিবাৰণ পদাধিকাৰীক অন্তৰ্ভুক্ত কৰে ;

১৯৮৪ৰ ৬৬ (ঙ) ''জিলা ন্যায়ালয়'' মানে কোনো এলেকাত যাৰ বাবে পৰিয়াল ন্যায়ালয় অধিনিয়ম, ১৯৮৪ৰ ধাৰা ৩ৰ অধীনত স্থাপিত এখন পৰিয়াল ন্যায়ালয় থাকে, এনে পৰিয়াল ন্যায়ালয়, আৰু এনে কোনো এলেকা য'ত কোনো পৰিয়াল ন্যায়ালয় নাথাকে কিন্তু এখন নগৰ চিভিল ন্যায়ালয় থাকে, সেইখন ন্যায়ালয়, আৰু আন কোনো এলেকাত, মূল অধিকাৰিতাৰ প্ৰধান চিভিল ন্যায়ালয় আৰু আন কোনো চিভিল ন্যায়ালয়ক অন্তৰ্ভুক্ত কৰে যাক, ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ সৈতে সংব্যৱহৃত বিষয়ৰ সম্বন্ধত অধিকাৰিতা থকা বুলি বিনিৰ্দ্দিষ্ট কৰিব পাৰে ;

বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬

১৮৭৫ৰ ৯ (চ) ''নাবালক'' মানে এজন ব্যক্তি, যিজনক প্ৰাপ্ত বয়স্ক অধিনিয়ম, ১৮৭৫ৰ উপবন্ধসমূহৰ অধীনত তেওঁক প্ৰাপ্তবয়স্ক প্ৰাপ্ত নকৰা বুলি গণ্য কৰা হ'ব ।

সংবিদাকাৰী পক্ষ, এটা শিশু হোৱাৰ বিকল্পত বাল্য বিবাহ নিৰৰ্থক হ'ব।

৩। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে বা পাছত অনুষ্ঠিত হোৱা বা নোহোৱা প্ৰত্যেক বাল্য বিবাহ সংবিদাকাৰী পক্ষৰ বিকল্পত নিৰৰ্থক হ'ব যিজনে বিবাহৰ সময়ত এটা শিশু আছিল ঃ

পৰন্তু এখন বাল্য বিবাহৰ বাতিলকৰণৰ বাবে অসিদ্ধতাৰ এটা ডিক্ৰীৰ দ্বাৰা কেৱল বিবাহলৈ সংবিদা কৰা এটা পক্ষৰ দ্বাৰা জিলা ন্যায়ালয়ত এখন আবেদন দাখিল কৰিব পাৰে যিজন, বিবাহৰ সময়ত এটা শিশু আছিল ।

(২) যদিহে, এখন আবেদন দাখিল কৰাৰ সময়ত, আবেদনকাৰী এজন নাবালক হয়, আবেদনখন, বাল্য বিবাহ নিবাৰণ পদাধিকাৰীৰ সৈতে তেওঁ বা তাইৰ অভিভাৱক বা নিকট বন্ধুৰ মাধ্যমেৰে দাখিল কৰিব পাৰে ।

(৩) এই ধাৰাৰ অধীনত আবেদনখন, আবেদন দাখিল কৰা শিশুৱে প্ৰাপ্তবয়স্ক প্ৰাপ্ত কৰাৰ দুবছৰ সম্পূৰ্ণ কৰাৰ পূৰ্বে যিকোনো সময়ত দাখিল কৰিব পাৰে ।

(৪) এই ধাৰাৰ অধীনত অসিদ্ধতাৰ এটা ডিক্ৰী মঞ্জুৰ কৰোতে, জিলা ন্যায়ালয়ে বিবাহৰ উভয় পক্ষ সমূহক আৰু তেওঁলোকৰ পিতৃ-মাতৃ বা তেওঁলোকৰ অভিভাৱকক বিবাহৰ অনুষ্ঠানত তেওঁলোকৰ দ্বাৰা আন পক্ষৰ পৰা গ্ৰহণ কৰা টকা, মূল্যবান সামগ্ৰী, অলংকাৰ আৰু আন উপহাৰ, বা এনে মূল্যবান সামগ্ৰী, অলংকাৰ, আন উপহাৰ আৰু টকাৰ মূল্যৰ সমান ধনৰাশি আন পক্ষক তেওঁ বা তাইৰ পিতৃ-মাতৃ বা যথাস্থিতি অভিভাৱকক ঘূৰাই দিবলৈ নিৰ্দ্দেশ দি এটা আদেশ দিব ঃ

পৰন্তু এই ধাৰাৰ অধীনত কোনো আদেশ পাৰিত কৰা নহব যি পৰ্যন্ত সংশ্লিষ্ট পক্ষসমূহক জিলা ন্যায়ালয়ত হাজিৰ হবলৈ আৰু কিয় এনে আদেশ পাৰিত কৰা নহব তাৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা নহয় ।

বাল্য বিবাহলৈ সংবিদা কৰা নাৰী পক্ষলৈ ভৰণ-পোষণ আৰু বাসস্থানৰ বাবে উপবন্ধ ।

৪। (১) ধাৰা ৩ৰ অধীনত এটা ডিক্ৰী মঞ্জুৰ কৰোতে, বাল্য বিবাহলৈ সংবিদা কৰা পুৰুষ পক্ষক আৰু যদি এনে বিবাহলৈ সংবিদা কৰা পুৰুষ পক্ষ এজন নাবালক হয়, তেওঁৰ পিতৃ-মাতৃ বা অভিভাৱকক বিবাহলৈ সংবিদা কৰা নাৰী পক্ষক তেওঁৰ পুনৰ বিবাহ নোহোৱালৈকে ভৰণ-পোষণৰ খৰচ আদায় দিবলৈ নিৰ্দ্দেশ দি এটা অন্তৰ্বৰ্ত্তী বা চূড়ান্ত আদেশ দিব পাৰে ।

(২) শিশুৰ প্ৰয়োজন, তেওঁৰ বিবাহৰ সময়ত এনে শিশুৰ দ্বাৰা উপভোগ কৰা জীৱন পদ্ধতি আৰু দেয় পক্ষৰ আয়ৰ উৎসৰ ওপৰত দৃষ্টি ৰাখি জিলা ন্যায়ালয়ৰ দ্বাৰা আদায় দিবলগীয়া ভৰণ-পোষণৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হ'ব ।

(৩) ভৰণ-পোষণৰ পৰিমাণ প্ৰতিমাহে বা মোটামুটি আদায় দিবলৈ নিৰ্দ্দেশিত কৰিব পাৰে ।

(৪) যদি ধাৰা ৩ৰ অধীনত আবেদন কৰা পক্ষ, এটা সংবিদা কৰা নাৰী পক্ষ হয়, জিলা ন্যায়ালয়ে, তেওঁৰ পুনৰ বিবাহ নোহোৱালৈকে তেওঁৰ বাসস্থানৰ সম্পৰ্কে এটা উপযুক্ত আদেশো প্ৰণয়ন কৰিব পাৰে।

বাল্য বিবাহৰ শিশুসকলৰ অভিৰক্ষা আৰু ভৰণ-পোষণ।

৫। (১) য'ত বাল্য বিবাহৰ ফলত শিশুৰ জন্ম হয়, জিলা ন্যায়ালয়ে, এনে শিশুৰ অভিৰক্ষাৰ বাবে এটা সমুচিত আদেশ প্ৰণয়ন কৰিব।

(২) যেতিয়া এই ধাৰাৰ অধীনত এটা শিশুৰ অভিৰক্ষাৰ বাবে এটা আদেশ কৰা হয়, শিশুৰ কল্যাণ আৰু সৰ্বোত্তম সুবিধা জিলা ন্যায়ালয়ৰ দ্বাৰা দিয়া সৰ্বাধিক বিবেচনা হ'ব।

(৩) এটা শিশুৰ অভিৰক্ষাৰ বাবে দিয়া এটা আদেশ, শিশুৰ হিতৰ সৰ্বোত্তম সেৱাৰূপে এনে ৰীতিত আন পক্ষক শিশুলৈ অভিগমন কৰিবলৈ দিয়াৰ বাবে সমুচিত নিৰ্দ্দেশ আৰু এনে আন আদেশ অন্তৰ্ভুক্ত কৰে যেনেদৰে জিলা ন্যায়ালয়ে শিশুৰ হিতৰ বাবে উচিত বুলি গণ্য কৰে ।

(৪) জিলা ন্যায়ালয়ে, বিবাহৰ এটা পক্ষৰ বা তেওঁলোকৰ পিতৃ-মাতৃ বা অভিভাৱকৰ দ্বাৰা শিশুটোৰ ভৰণ-পোষণৰ উপবন্ধ কৰিবৰ বাবে এটা সমুচিত আদেশো প্ৰণয়ন কৰিব পাৰে ।

বাল্য বিবাহৰ ফলত জন্ম হোৱা শিশু সকলৰ বৈধতা।

৬। ধাৰা ৩ৰ অধীনত এটা অসিদ্ধতাৰ ডিক্ৰীৰ দ্বাৰা এখন বাল্য বিবাহ বাতিল হোৱা সত্ত্বেও, এনে ডিক্ৰী দিয়াৰ পূৰ্বে এনে বিবাহৰ ফলত গৰ্ভজাত বা গৰ্ভধাৰণ কৰা প্ৰত্যেক শিশু, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ আগত বা পিছত জন্ম হওঁক বা নহওঁক সকলো প্ৰয়োজনৰ বাবে এটা বৈধ শিশু বুলি গণ্য হ'ব ।

ধাৰা৪ বা ধাৰা ৫ৰ অধীনত জাৰি কৰা আদেশসমূহ সাল-সলনি কৰিবলৈ জিলা ন্যায়ালয়ৰ ক্ষমতা।

৭। জিলা ন্যায়ালয়ৰ, ধাৰা ৪ বা ধাৰা ৫ৰ অধীনত প্ৰণয়ন কৰা কোনো আদেশ আৰু যদিহে, আবেদনখনৰ লম্বিত থকাৰ কোনো সময়ত পৰিস্থিতিত কোনো পৰিৱৰ্ত্তন হয় আৰু আনকি আবেদনৰ চূড়ান্ত নিষ্পত্তিৰ পাছতো, ইয়াত সংযোগ, সাল-সলনি বা প্ৰত্যাহাৰ কৰিবলৈ ক্ষমতা থাকিব ।

ন্যায়ালয়, য'লৈ আবেদন কৰা হ'ব।

৮। ধাৰা ৩, ৪ আৰু ৫ৰ অধীনত সাহায্য মঞ্জুৰীৰ প্ৰয়োজনাৰ্থে অধিকাৰিতা থকা জিলা ন্যায়ালয়ে, প্ৰতিবাদী বা শিশুটো বসবাস কৰা, স্থান বা বিবাহ অনুষ্ঠিত হোৱা স্থান বা পক্ষসমূহে শেষত একেলগে বসতি কৰা স্থান বা আবেদনকাৰীয়ে আবেদনখন দাখিল কৰাৰ তাৰিখত বসবাস কৰা স্থানৰ অধিকাৰিতা থকা জিলা ন্যায়ালয়ক অন্তৰ্ভুক্ত কৰিব ।

এটা শিশুক বিবাহ কৰোৱা প্ৰাপ্তবয়স্ক পুৰুষৰ বাবে দণ্ড।

৯। যিয়েই, ওঠৰ বছৰ বয়সৰ অধিক হোৱা প্ৰাপ্তবয়স্ক পুৰুষে এখন বাল্য বিবাহৰ সংবিদা কৰে, তেওঁ সশ্ৰম কাৰাবাসেৰে যিটো দুই বছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে বা জৰিমনা সহ যিটো একলাখ টকা পৰ্যন্ত বিস্তৃত হব পাৰে বা উভয়েৰে দণ্ডিত হ'ব ।

এখন বাল্য বিবাহ অনুষ্ঠিত কৰাৰ বাবে দণ্ড।

১০। যিয়েই, কোনো বাল্য বিবাহৰ সম্পাদন, পৰিচালনা, নিৰ্দ্দেশ বা অপপ্ৰেৰণা দিয়ে, তেওঁ সশ্ৰম কাৰাবাসেৰে দণ্ডনীয় হ'ব যিটো দুবছৰ পৰ্য্যন্ত বিস্তৃত হব পাৰে আৰু জৰিমনাৰে দায়ী হ'ব যিটো একলাখ টকা পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে যদি তেওঁ প্ৰমাণ কৰিব নোৱাৰে যে বিবাহখন এখন বাল্য বিবাহ নাছিল বুলি তেওঁৰ বিশ্বাস কৰাৰ কাৰণ আছিল ।

বাল্য বিবাহৰ অনুষ্ঠিতকৰণৰ বৃদ্ধি কৰা বা অনুমতি দিয়াৰ বাবে দণ্ড।

১১। (১) য'ত এটা শিশুৱে এখন বাল্য বিবাহৰ সংবিদা কৰে, শিশুটোৰ দায়িত্বত থকা কোনো ব্যক্তি, পিতৃ-মাতৃ বা অভিভাৱক বা আন কোনো ব্যক্তিৰূপে বা আন কোনো সক্ষমতাত বিধিগত হওঁক বা অবিধিগত হওঁক, ব্যক্তিৰ সংগঠন বা ব্যক্তিৰ সংস্থাৰ কোনো সদস্যক অন্তৰ্ভুক্ত কৰি যিজনে বিবাহৰ বৃদ্ধি কৰাৰ কোনো কাৰ্য্য কৰে বা ইয়াক অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়ে বা এখন বাল্য বিবাহত উপস্থিত থাকি বা অংশগ্ৰহণ কৰাক অন্তৰ্ভুক্ত কৰি এনেদৰে অনুষ্ঠিত কৰা বিবাহক বাধা দিবলৈ অসাৱধানতাৰে অসফল হয়, তেওঁ সশ্ৰম কাৰাবাসেৰে দণ্ডনীয় হ'ব যিটো দুবছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে আৰু জৰিমনাৰেও দায়ী হ'ব যিটো এক লাখ টকা পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে ঃ

পৰন্তু কোনো মহিলা কাৰাবাসেৰে দণ্ডনীয় নহব ।

(২) এই ধাৰাৰ প্ৰয়োজনাৰ্থে প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত য'ত এটা নাবালক শিশুৱে এখন বিবাহৰ সংবিদা কৰিছে, এনে নাবালক শিশুৰ দায়িত্বত থকা ব্যক্তিয়ে বিবাহ অনুষ্ঠিত হোৱাৰ পৰা ইয়াক বাধা দিবলৈ অসাৱধানতাৰে অসফল হোৱা বুলি প্ৰাক্‌ধাৰণা কৰা হ'ব ।

কেতবোৰ পৰিস্থিতিত এটা নাবালক শিশুৰ বিবাহ অবৈধ হ'ব।

১২। নাবালক হোঁৱা এটা শিশুক যেতিয়া —

(ক) বিধিগত অভিভাৱকৰ জিম্মাৰ পৰা লৈ অহা হয় বা প্ৰলোভিত কৰা হয় ; বা

(খ) কোনো স্থানৰ পৰা যাবলৈ বল প্ৰয়োগৰ দ্বাৰা বাধ্য কৰোৱা হয় বা কোনো প্ৰৱঞ্চনামূলক উপায়েৰে উৎপ্ৰেৰিত কৰে ; বা

(গ) বিবাহৰ প্ৰয়োজনাৰ্থে বিক্ৰী কৰা হয় , আৰু এটা বিবাহৰ পদ্ধতিৰ মাজেৰে যাবলৈ দিয়া হয় বা যদি নাবালক বিবাহিত হয় যাৰ পাছত নাবালকক অনৈতিক প্ৰয়োজনৰ বাবে বিক্ৰী কৰা হয় বা মানৱ পণন বা ব্যৱহাৰ কৰা হয়, এনে বিবাহ বাতিল হ'ব।

বাল্য বিবাহ নিবাৰণ নিষেধাজ্ঞা জাৰি কৰিবলৈ ন্যায়ালয়ৰ ক্ষমতা।

১৩। (১) এই অধিনিয়মত প্ৰতিকূল কোনো কথা থকা সত্ত্বেও, যদি, বাল্য বিবাহ নিবাৰণ পদাধিকাৰীৰ আবেদনৰ ওপৰত বা কোনো ব্যক্তিৰ দ্বাৰা দিয়া এটা অভিযোগ বা অন্যথাৰ মাধ্যমেৰে এটা তথ্য প্ৰাপ্তিত এজন প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ বা এজন মহানগৰ দণ্ডাধীশ, এই অধিনিয়মৰ উলংঘনত এখন বাল্য বিবাহ বন্দবস্ত কৰা বা প্ৰায় অনুষ্ঠিত হবলগীয়া বুলি সন্তুষ্ট হয়, এনে দণ্ডাধীশে এনে বিবাহ নিবাৰণৰ ব্যক্তিসকলৰ এটা সংগঠন বা এটা সংস্থাৰ এজন সদস্যক অন্তৰ্ভুক্ত কৰি কোনো ব্যক্তিৰ বিৰুদ্ধে এটা নিষেধাজ্ঞা জাৰি কৰিব।

(২) এখন বাল্য বিবাহ বা বাল্য বিবাহসমূহ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা থকাৰ সম্পৰ্কত ব্যক্তিগত জ্ঞান থকা বা বিশ্বাস কৰাৰ কাৰণ থকা যিকোনো ব্যক্তি আৰু যুক্তিসঙ্গত তথ্য থকা এটা বেচৰকাৰী সংস্থাৰ দ্বাৰা উপধাৰা (১)ৰ অধীনত এটা অভিযোগ দাখিল কৰিব পৰা যায়।

(৩) কোনো বিশ্বাসযোগ্য প্ৰতিবেদন বা তথ্যৰ ভিত্তিত প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ ন্যায়ালয় বা মহানগৰ দণ্ডাধীশে স্বপ্ৰেৰণাৰে সংজ্ঞান লব পাৰে ।

(৪) অক্ষয় তৃতীয়াৰ দৰে এনে কেতবোৰ দিনত সমূহীয়া বাল্যবিবাহৰ অনুষ্ঠিতকৰণৰ নিবাৰণৰ প্ৰয়োজনাৰ্থে, জিলা দণ্ডাধীশক এই অধিনিয়মৰ দ্বাৰা বা অধীনত এজন বাল্য বিবাহ নিবাৰণ পদাধিকাৰীক প্ৰদত্ত কৰা দৰে সকলো ক্ষমতা থকা এজন বাল্য বিবাহ নিবাৰণ পদাধিকাৰী বুলি গণ্য কৰা হ'ব।

(৫) বাল্য বিবাহৰ অনুষ্ঠিতকৰণৰ বন্ধ বা নিবাৰণ কৰিবলৈ জিলা দণ্ডাধীশৰ অতিৰিক্ত ক্ষমতাসমূহো থাকিব আৰু এই প্ৰয়োজনৰ বাবে, তেওঁ সকলো সমুচিত ব্যৱস্থা লব পাৰে আৰু অপেক্ষিত সৰ্বনিম্ন বল প্ৰয়োগ কৰিব পাৰে।

(৬) উপধাৰা (১)ৰ অধীনত কোনো ব্যক্তি বা ব্যক্তিৰ কোনো সংগঠন বা সংস্থাৰ সদস্যৰ বিপক্ষে কোনো নিষেধাজ্ঞা জাৰি কৰা নহব যিপৰ্যন্ত ন্যায়ালয়ে এনে ব্যক্তি, ব্যক্তিৰ সংগঠন বা যথাস্থিতি সংস্থাৰ সদস্যসকলক পূৰ্বতে কোনো জাননী নিদিয়ে, আৰু নিষেধাজ্ঞাৰ জাৰিকৰণৰ বিপক্ষে কাৰণ দৰ্শাবলৈ তেওঁক বা তেওঁলোকক সুবিধা নিদিয়ে ঃ

পৰন্তু কোনো জৰুৰী অৱস্থাত, এই ধাৰাৰ অধীনত কোনো জাননী নিদিয়াকৈ ন্যায়ালয়ৰ, এটা অন্তৰ্বৰ্তী নিষেধাজ্ঞা জাৰি কৰিবলৈ ক্ষমতা থাকিব।

(৭) উপধাৰা (১)ৰ অধীনত জাৰি কৰা এটা নিষেধাজ্ঞা, জাননী জাৰি কৰাৰ পাছত আৰু নিষেধাজ্ঞা জাৰি কৰা পক্ষৰ বিপক্ষে শুনানী লোৱাৰ পিছত বাহাল ৰাখিব বা বাতিল কৰিব পাৰে।

(৮) উপধাৰা (১)ৰ অধীনত জাৰি কৰা এটা নিষেধাজ্ঞা ন্যায়ালয়ে হয় ইয়াৰ স্বপ্ৰেৰণাৰে বা ব্যথিত কোনো ব্যক্তিৰ আবেদনৰ ওপৰত ৰদ্ বা পৰিৱৰ্তন কৰিব পাৰে।

বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬

(৯) য'ত উপধাৰা (১)ৰ অধীনত এখন আবেদন প্ৰাপ্ত কৰা হয়, ন্যায়ালয়ে ব্যক্তিগতভাৱে বা এজন অধিবক্তাৰ দ্বাৰা ইয়াৰ সমুখত হাজিৰ হ'বলৈ আবেদনকাৰীক আগতীয়া সুবিধা প্ৰদান কৰিব আৰু যদি ন্যায়ালয়ে, আবেদনকাৰীক শুনাৰ পাছত আবেদনখন সম্পূৰ্ণৰূপে বা আংশিকভাৱে খাৰিজ কৰে, ই এনে কৰাৰ বাবে ইয়াৰ কাৰণসমূহ লিখিতৰূপত অভিলিখিত কৰিব ।

(১০) যিয়েই, তেওঁৰ বিপক্ষে উপধাৰা (১)ৰ অধীনত এটা নিষেধাজ্ঞা জাৰি কৰা হৈছে বুলি জানিও এনে নিষেধাজ্ঞা অমান্য কৰে, তেওঁ দুই প্ৰকাৰৰ এটা কাৰাবাসেৰে যাৰ অৱধি দুই বছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে বা জৰিমনা সহ যিটো একলাখ টকা পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে বা উভয়েৰে দণ্ডিত হ'ব ঃ

পৰন্তু কোনো মহিলা কাৰাবাসেৰে দণ্ডনীয় নহ'ব ।

নিষেধাজ্ঞা আদেশৰ উলংঘনত বাল্য বিবাহ বাতিল হ'ব।

১৪। ধাৰা ১৩ৰ অধীনত জাৰি কৰা এটা নিষেধাজ্ঞা আদেশৰ উলংঘনত অনুষ্ঠিত কোনো বাল্য বিবাহ, অৰ্ন্তবৰ্তীয়েই হওঁক বা চূড়ান্তই হওঁক, আদিৰ পৰা বাতিল হ'ব ।

অপৰাধসমূহ সংজ্ঞেয় আৰু অজামিনযোগ্য হ'ব। ১৯৭৪ৰ ২

১৫। দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ত কোনো কথা থকা সত্বেও, এই অধিনিয়মৰ অধীনত দণ্ডনীয় এটা অপৰাধ সংজ্ঞেয় আৰু অজামিনযোগ্য হ'ব ।

বাল্য বিবাহ নিবাৰণ পদাধিকাৰী।

১৬। (১) ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা সেই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা ধৰণে সমগ্ৰ ৰাজ্য বা তাৰ যি কোনো ভাগৰ বাবে সেই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা এলেকা বা এলেকাসমূহৰ ওপৰত অধিকাৰিতা থকা বাল্য বিবাহ নিবাৰণ পদাধিকাৰী নামেৰে অভিজ্ঞাত এজন পদাধিকাৰী বা পদাধিকাৰীসকলক নিযুক্তি দিব ।

(২) ৰাজ্য চৰকাৰে, সমাজ সেৱাৰ এটা অভিলেখ থকা সেই স্থানৰ এজন সম্মানীয় সদস্য বা গাওঁ পঞ্চায়তৰ বা পৌৰসভাৰ এজন পদাধিকাৰী বা চৰকাৰী বা যিকোনো ৰাজহুৱা খণ্ডৰ উপক্ৰমৰ এজন পদাধিকাৰী বা কোনো বেচৰকাৰী সংস্থাৰ বিষয়ববীয়াক, বাল্য বিবাহ পদাধিকাৰীক সহায়তা কৰিবলৈ অনুৰোধ কৰিব পাৰে আৰু এনে সদস্য, পদাধিকাৰী বা যথাস্থিতি বিষয়ববীয়াই, তদনুসাৰে কাৰ্য্য কৰিবলৈ বাধ্য থাকিব ।

বাল্য বিবাহ নিবাৰণ পদাধিকাৰীৰ নিম্নলিখিতসমূহ কৰাটো কৰ্ত্তব্য হ'ব —

(ক) বাল্য বিবাহ অনুষ্ঠিতকৰণত এনে কাৰ্য্যৰ দ্বাৰা বাধা দিয়া যেনেদৰে তেওঁ উচিত গণ্য কৰে ;

(খ) এই অধিনিয়মৰ উপবন্ধসমূহৰ উলংঘন কৰা ব্যক্তিসকলৰ প্ৰভাৱী অভিযোগকৰণৰ বাবে সাক্ষ্য সংগ্ৰহ কৰা ;

(গ) বাল্য বিবাহৰ অনুষ্ঠিতকৰণত সহায়, সাহাৰ্য্য বা অনুমতিৰ প্ৰশ্ৰয় নিদিবলৈ হয় ব্যক্তিগত ক্ষেত্ৰত বা সাধাৰণতে স্থানীয় আবাসীসকলক পৰামৰ্শ দিয়া ;

(ঘ) বাল্য বিবাহৰ পৰা উদ্ভৱ হোৱা অশুভজনক কাৰ্য্যৰ সজাগতাৰ সৃষ্টি কৰা ;

(ঙ) বাল্য বিবাহৰ পৰিণামৰ ওপৰত জনগোষ্ঠীক সংবেদী কৰা ;

(চ) ৰাজ্য চৰকাৰে নিৰ্দ্দেশ দিয়াৰ দৰে এনে সাময়িক প্ৰবিৱৰণ আৰু পৰিসংখ্যা দাখিল কৰা ; আৰু

(ছ) ৰাজ্য চৰকাৰৰ দ্বাৰা তেওঁলৈ আৰোপিত দৰে কৰা এনে আন কাৰ্য্যসমূহ আৰু কৰ্ত্তব্যসমূহ নিৰ্বহন কৰা ।

বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬

(৩) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এনে চৰ্ত্ত আৰু পৰিসীমাৰ সাপেক্ষে, বাল্য বিবাহ নিবাৰণ পদাধিকাৰীক এজন আৰক্ষী পদাধিকাৰীৰ এনে ক্ষমতাবোৰ অৰ্পণ কৰিব যেনেদৰে অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা হয় আৰু বাল্য বিবাহ নিবাৰণ পদাধিকাৰীয়ে, এনে চৰ্ত্ত আৰু পৰিসীমাৰ সাপেক্ষে এনে ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব যেনেদৰে অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা হয়।

(৪) বাল্য বিবাহ নিবাৰণ পদাধিকাৰীৰ ধাৰা ৪, ৫ আৰু ১৩ৰ অধীনত আৰু ধাৰা ৩ৰ অধীনত শিশুৰ সৈতে এটা আদেশৰ বাবে ন্যায়ালয়লৈ আবেদন কৰিবলৈ ক্ষমতা থাকিব।

বাল্য বিবাহ নিবাৰণ পদাধিকাৰী লোক সেৱক হ'ব।

১৭। বাল্য বিবাহ নিবাৰণ পদাধিকাৰীক ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোক সেৱক হিচাবে গণ্য কৰা হ'ব।

১৮৬০ৰ ৪৫ সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ ৰক্ষণ।

১৮। কোনো বাদ, অভিযোগ বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত যিকোনো নিয়ম বা আদেশৰ অনুসৰণত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত যিকোনোৰ সম্পৰ্কত বাল্য বিবাহ নিবাৰণ পদাধিকাৰীৰ বিপক্ষে নাখাটিব।

ৰাজ্য চৰকাৰৰ নিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা।

১৯। (১) ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ সম্পন্ন কৰিবৰ বাবে নিয়মসমূহ প্ৰণয়ন কৰিব পাৰে।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পাছত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপন কৰা হ'ব।

১৯৫৫ৰ অধিনিয়ম সংখ্যা ২৫ৰ সংশোধন।

২০। হিন্দু বিবাহ অধিনিয়ম, ১৯৫৫, ধাৰা ১৮ত খণ্ড (ক)ৰ বাবে, নিম্নলিখিত খণ্ডটো প্ৰতিষ্ঠাপিত কৰা হ'ব, যেনে ঃ

''(ক) ধাৰা ৫ৰ খণ্ড (iii)ত বিনিৰ্দ্দিষ্ট চৰ্ত্তৰ উলংঘনৰ ক্ষেত্ৰত, সশ্ৰম কাৰাবাসেৰে যিটো দুবছৰ পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে, বা জৰিমনা সহ যিটো এক লাখ টকা পৰ্য্যন্ত বিস্তৃত হ'ব পাৰে, বা উভয়ৰে।''

নিৰসন আৰু ব্যাবৃত্তি।

২১। (১) বাল্য বিবাহ নিয়ন্ত্ৰণ অধিনিয়ম, ১৯২৯ ইয়াৰ দ্বাৰা নিৰসিত কৰা হৈছে।

(২) এনে নিৰসন সত্ত্বেও, এই অধিনিয়মৰ প্ৰাৰম্ভণত, উক্ত অধিনিয়মৰ অধীনত লম্বিত থকা বা চলি থকা সকলো গোচৰ আৰু আন কাৰ্য্যবাহী নিৰসিত অধিনিয়মৰ উপবন্ধসমূহৰ অনুসৰণত চলি থাকিব আৰু নিষ্পত্তি কৰা হ'ব যেনিবা এই অধিনিয়মখন পাৰিত হোৱাই নাছিল।

ৰাষ্ট্ৰপতিয়ে বাল্য বিবাহ নিবাৰণ অধিনিয়ম, ২০০৬ (২০০৭ৰ অধিনিয়ম সংখ্যা ৬)ৰ ওপৰোক্ত অনুবাদ, প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Prohibition of Child Marriage Act, 2006 (Act No. 6 of 2007) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) 1973 (Act No. 50 of 1973).

New Delhi
Date :

SANJAY SINGH
Secretary to the Govt. of India

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৪-০৬-১৮*